# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৰ্বিভাৱ তিথি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ তৰফৰ পৰা জনোৱা অনুসৰি শ্ৰীমন্ত শংকৰদেৱ জয়ন্তী উপলক্ষে আজি ভাগৱত পাঠ, আয়তিৰ নাম পৰিবেশন, ধৰ্মালোচনী সভাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইপিনে, সত্ৰপীঠ মাজুলীত কালিৰে পৰাই গুৰুজনাৰ ৫৭৬ সংখ্যক জন্মোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰ সমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভা সমূহৰ উদ্যোগত কালিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী অনুষ্ঠিত হয়। উজনি মাজুলী শ্ৰীৰাম ভকতিদুৱাৰ আঞ্চলিক ধৰ্মালোচনী সভাৰ উদ্যোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মুদৈবিল বৰনামঘৰত গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হয়। প্ৰথমদিনা পুৱা ঊষা কীৰ্তন, পৰিবেশ নিকাকৰণৰ পাছত গছপুলি ৰোপন কৰা হয়। ইয়াৰ পাছতে ২১গৰাকী বিশিষ্ট ব্যক্তিয়ে ২১খন ধৰ্মধবজা উত্তোলন কৰে। লগতে বন্তি প্ৰজ্বলন, চিত্ৰাংকন প্ৰতিযোগিতা আৰু দিহানাম প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

ডুমডুমা আৰু ফিল'বাৰিতো আজিৰে পৰা ১৫ অক্টোবৰলৈকে তিনি দিনীয়াকৈ শ্ৰীমন্ত শংকৰ উৎসৱৰ জন্মোৎসৱৰ আয়োজন কৰা হৈছে। ডুমডুমা নামঘৰত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হ'ব। কাৰ্যসূচীৰ লগত সংগতি ৰাখি বৰগীত, সত্ৰিয়া নৃত্য, দিহা নাম আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। ফিল'বাৰী বৰ নামঘৰতো বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ সহযোগত গুৰুজনাৰ জয়ন্তী উদযাপন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে।

০০০০০০০

শিৱসাগৰৰ দেৱীদ'লতো ব্যাপক আয়োজনেৰে দুৰ্গা পূজা আয়োজন কৰা হৈছে। জনবিশ্বাস আৰু আস্থাৰ প্ৰতীক দেৱীদ'লৰ দুৰ্গা পূজাই যুগ যুগ ধৰি সম্প্ৰীতিৰ বাৰ্তা দি আহিছে। প্ৰতি বছৰৰ দৰে এই বছৰো পূজাৰ নৈবদ্যৰ এটা অংশ শিৱসাগৰৰ ইছলাম ধৰ্মাৱলম্বী দৌল্লা পৰিয়ালৰ লগতে কনচেং বৰপাত্ৰ গোহাঁই পৰিয়াললৈ আগবঢ়োৱা হয়। এই কাৰ্যৰ দ্বাৰা দেৱীদ'লৰ পূজাই সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিছে। শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুস গাৰ্গৰ উপস্থিতিত কালি দেৱীদ'ল চৌহদত এই বিশেষ কাৰ্যসূচী সম্পন্ন হয়। উল্লেখযোগ্য যে দেৱী দৌল প্ৰতিষ্ঠাৰ কালৰ পৰাই শিৱসাগৰৰ দৌল্লা পৰিয়ালৰ পূৰ্বপুৰুষে দেৱীদ'লত ঢাক বজাই আহিছে। যাৰ বাবে তেতিয়াৰ দিনৰে পৰা দৌল্লা পৰিয়ালে দুৰ্গা পূজাৰ নৈবদ্যৰ অংশ লাভ কৰি আহিছে। পৰৱৰ্তী সময়ত দৌলত ঢাক বজোৱাৰ পৰম্পৰা নাইকিয়া হ'ল যদিও দৌল্লা পৰিয়ালে পূজাৰ ভাগ পোৱাৰ পৰম্পৰা অব্যাহত থাকিল।

০০০০০০০

আজি বিশ্ব Arthritis বা বাত বিষ দিৱস। বাতবিষ জনিত পেশী- কংকালৰ সমস্যা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে সজাগতা সৃষ্টি কৰাই হৈছে এই দিৱস পালনৰ মূল উদ্দেশ্যে। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- *Informed Choices, Better Outcomes*।

আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত এইমছৰ বাত বিষ বিভাগৰ মুৰববী চিকিৎসক ডাঃ উমা কুমাৰে বাত বিষ উপযুক্ত চিকিৎসাৰ বাবে চিনাক্তকৰণৰ গুৰুত্ব প্ৰদান কৰিছে। সামাজিক মাধ্যমত লাভ কৰা তথ্যৰ জৰিয়তে চিকিৎসা নকৰিবলৈও তেওঁ আহ্বান জনায়। ধূপপান, মেদবহুলতাৰ লগতে চিকিৎসাৰ একাধিক বিকল্পৰ দৰে বিপদজ্জনক কাৰকসমূহৰ ওপৰতো ডাঃ কুমাৰে আলোকপাত কৰে।

0000000

তিনিচুকীয়া জিলাৰ ক্ৰীড়া সন্থাৰ উদ্যোগ অহা ১৭ অক্টোবৰত সন্থাৰ খেলপথাৰত তৃতীয় শ্ৰেণীৰ ভলীবল ৰেফাৰী পৰীক্ষা অনুষ্ঠিত হ'ব। ইচ্ছুক পৰীক্ষাৰ্থীসকলক সেই দিনা পুৱা ৯ বজাত বয়সৰ প্ৰমাণপত্ৰ, দুখন পাছপ'ৰ্ট ফটোসহ উপস্থিত হ'বলৈ ক্ৰীড়া সন্থাই অনুৰাধ জনাইছে। ইপিনে সন্থাৰ তত্বাৱধানত বাঘজান স্পোৰ্টছ্ ক্লাবৰ উদ্যোগত বাঘজান গাঁও ৰাজহুৱা খেলপথাৰত অহা ২৭ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ ১৫ বছৰ অনুৰ্ধৰ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত কাকপথাৰ ফুটবল কোচিং চেণ্টাৰ, এক্স ছাৰ্ভিছমেন স্পোৰ্টছ ক্লাব (মাৰ্ঘেৰিটা), বাৰেকুৰি বাঘজান স্পোৰ্টছ ক্লাব, ডিমৰুহোলা ফুটবল কোচিং চেণ্টাৰ, শ্ৰীপুৰীয়া ফুটবল একাডেমী, মাকুম ফুটবল কোচিং চেণ্টাৰ, দুলীয়াজন ফুটবল কোচিং চেণ্টাৰসহ মুঠ ৮টা দলে অংশগ্ৰহণ কৰিব।

0000000

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাত ২-০ ফলাফলত আগবাঢ়ি থকা ভাৰতীয় দলে আজি খেলখনত জয়লাভ কৰি জয়ৰ ধাৰা অক্ষুন্ন ৰখা আৰু বাংলাদেশৰ বিৰুদ্ধে আটাইকেইখন খেলতে জয়লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰাৰ চেষ্ট চলাব। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

0000000

**সমাপ্ত**